# সবৰমতী আশ্ৰমত গান্ধীজী

## Chapter – 7

## অংকুৰণ

## ASSAMESE

---

**পাঠটোৰ মূলকথা :-** এজন লোক গান্ধীজীক সভা এখনলৈ মাতিবা বাবে তেওঁৰ সবরমতী আশ্রমলৈ আহিল। মানুহজনে তেওঁৰ গীবত পিছদিনা পুৱা ন বজাত হ'বলগা সভাখনৰ বাবে গান্ধীজীক নিমন্ত্রণ জনালে। গান্ধীজীয়ে কচোৱান এজনক বাতিপুৱা ৮ বজাতে তেওঁৰ ঘোঁৰা গাড়ীখন আনি গান্ধীজীক সভালৈ লৈ যাবৰ বাবে বন্দোবস্ত কৰিলে। কিন্তু পিছদিনা কচোৱানজন সময়মতে উপস্থিত নোহোৱাত গান্ধীজীয়ে সভাত উপস্থিত হোৱাৰ সময় বক্ষা কৰিবলৈ চাইকেল এখনেৰে গৈ যথাসময়ত সভাত উপস্থিত হ'ল। পিছত কচোৱানজনে গান্ধীজীৰ ওচৰত উপস্থিত হৈ সময়মতে গান্ধীজীক সভালৈ আনিব নোৱাৰাৰ বাবে ক্ষমা খুজি ক'লে যে, ৰোগী এজনক হাস্পাতালত হৈ আহিবলগা হোৱা বাবে এনে ঘটনা ঘটিল। গান্ধীজীয়ে চাইকেলেবে হ'লেও সময়মতে সভাত উপস্থিত হোৱাত অসুবিধা হোৱা নাই বুলি ক'লে। কচোৱান জনে ৰোগীজনক সহায় কৰা বাবে কচোৱানজনক তেওঁ প্ৰশংসাও কৰিলে।

**⇒ পাঠটোত থকা কঠিন শব্দবোৰৰ অৰ্থ :**

| **শব্দ** | **অৰ্থ** |
|---|---|
| কচোৱান | ঘোঁৰা-গাড়ী চালক। |
| ধন্যবাদন | কৃতজ্ঞতা প্ৰকাশক শব্দ।কৃতজ্ঞতা প্ৰকাশক শব্দ। |
| বাঞ্ছা | আশা, কামনা। |
| ক্ষমা | শান্তি, মাৰ্জনা। |
| হাস্পতাল | চিকিৎসালয়। |

**ক – পাঠভিত্তিক ক্ৰিয়া-কলাপ**

**প্ৰঃ ১। দলত ভাগ হৈ পাঠৰ ছবি কেইখনত কি কি দেখিছা আলোচনা কৰা।**

উত্তৰ :- প্ৰথমখন ছবিত মানুহ এজনে গান্ধীজীক নমস্কাৰ জনাই সভালৈ নিমন্ত্ৰণ জনাইছে। দ্বিতীয়খন ছবিত গান্ধীজীয়ে কচোবানজনক ঘোঁবাগাড়ী আনিবলৈ কৈছে। তৃতীয়খন ছবিত গান্ধীজীয়ে আন এজন এখন চাইকেল আনি দিবলৈ কৈছে। চতুৰ্থখন ছবিত গান্ধীজীয়ে কেইজনমান লোকক চাইকেল আনি দিয়াৰ কাৰণে ধন্যবাদ জনাইছে। পঞ্চম ছবিত গান্ধীজীৰ ওচৰত থিয় হৈ হাতযোৰ কৰি কচোৱান জনে গান্ধীজীক পলম হোৱা কাৰণে ক্ষমা খুজিছে। ষষ্ঠখন ছবিত গান্ধীজীয়ে কচোবানজনক মহৎকাম কৰা বাবে প্ৰশংসা কৰিছে।

**প্ৰঃ ২। উত্তৰ দিয়া :**

**(ক) গান্ধীজীয়ে ঘোবা-গাড়ীখন কেই বজাত আনিবলৈ কৈছিল?**

উত্তৰ :- গান্ধীজীয়ে ঘোঁৰা গাড়ীখন বাতিপুৱা আঠ বজাত আনিবলৈ কৈছিল।

**(খ) সময়মতে কোন আহি নাপালেহি ?**

উত্তৰ :- সময়মতে কচোৱানজন ঘোঁৰা-গাড়ীখন লৈ আহি নাপালেহি।

**(গ) “সময়ৰ কাম সময়ত হোৱাটো মই বাঞ্ছা কৰোঁ”—কথাষাৰ কোনে কৈছিল ?**

উত্তৰ :- কথাষাৰ মহাত্মা গান্ধীয়ে কৈছিল।

**প্ৰঃ ২। (ক) গান্ধীজীয়ে চাইকেল চলাই হ’লেও সভাত কিয় উপস্থিত হৈছিলগৈ ?**

উত্তৰ :- মহাত্মা গান্ধীয়ে সময়ৰ কাম সময়তে কৰাটো বিচাৰিছিল বাবেই চাইকোলেৰে হ’লেও সময়মতে সভাত উপস্থিত হৈছিল।

**(খ) “মোক ক্ষমা কৰক” বুলি কচোৱানজনে কাক আৰু কিয় কৈছিল ?**

উত্তৰ :- কচোৱানজনে কথাষাৰ মহাত্মা গান্ধীক কৈছিল। কচোৱানজনে মহাত্মা গান্ধীক ৰাতিপুৱা আঠ বজাত তেওঁৰ ঘোঁৰা-গাড়ীৰে সভা এখনলৈ লৈ যোৱাৰ কথা আছিল। কিন্তু কচোৱান জনে মহাত্মা গান্ধীক সভালৈ লৈ যাব নোৱাৰিলে বাবে তেওঁ ইয়াৰ বাবে গান্ধীজীৰ ওচৰত ক্ষমা বিচাৰিছিল।

**(গ) গান্ধীজীয়ে কচোৱানজনক ‘মহৎ কাম কৰিলা’ বুলি কিয় কৈছিল ?**

উত্তৰ :- কচোৱানজনে মহাত্মা গান্ধীক সভালৈ লৈ যোৱাৰ কাৰণে আহি থাকোতে বাটত এজন বগীয়া মানুহক হস্পিতাললৈ নিব লগা হৈছিল। কচোৱানজনে ৰোগীজনক হস্পিতাললৈ লৈযোৱা অধিক জৰুৰী কাম বুলি গণ্য কৰিছিল বাবে মহাত্মা গান্ধীয়ে কচোৱানজনক ‘এটা মহৎ কাম কৰিলা বুলি তেওঁক প্ৰশংসা কৰিছিল।

**প্ৰঃ ৩। কাৰ (স্বৰ) চিন নথকা শব্দৰ কাষৰ বাকচত ৰঙা ৰং আৰু –কাৰ (স্বৰ) চিন থকাবোৰত ক’লা ৰং দিয়া।**

উত্তৰ :-

পলম ৰঙা মহৎ ৰঙা মহান ক’লা

গান্ধী ক’লা সময়ত ৰঙা কাম ক’লা

হ’ল ৰঙা মই ৰঙা

সহায় ক’লা এখন ৰঙা (ৰং নিজে দিয়া)।

**প্ৰঃ ৪। পাঠৰ আধাৰত তলৰ বাক্যবোৰ ক্ৰমত সজাই লিখা :**

উত্তৰ :- গান্ধীজীক এখন গাৱঁৰ সভালৈ নিমন্ত্ৰণ কৰিছিল।

গান্ধীজীয়ে সভালৈ যাবৰ বাবে এখন ঘোঁৰা গাড়ী বন্দোবস্ত কৰিলে।

কচোৱানজন সময়মতে নাহিল।

গান্ধীজীয়ে চাইকেল চলাই সভালৈ গ’ল।

কচোৱানজনে পাছত আহি ক’লে— “মই ৰোগী এজনৰ হাস্পতালত থৈ অহাৰ বাবে পলম হল।”

**প্ৰঃ ৫। শুদ্ধ বানানটোত ঘৰণীয়া চিন দিয়া। কাষৰ খালী ঠাইত শব্দটো পুনৰ লিখা :**

**(ক) শবৰমতী / সৱৰমতি / সবৰমতী**

উত্তৰ :- সবৰমতী।

**(খ) গান্ধীজি / গান্ধীজী / গান্ধিজী**

উত্তৰ :- গান্ধীজী।

**(গ) হাস্পতাল / হাস্পাতাল / হাম্পাটাল**

উত্তৰ :- হাস্পতাল

**প্রঃ ৬। শুদ্ধ শব্দটোত ঘূৰণীয়া চিন দিওঁ আহা :**

উত্তৰ :- (ক) ৰোগীক চিকিৎসা কৰা ঠাই (হাস্পাতাল)/থানা

(খ) ঘোঁৰা-গাড়ী চলোৱা মানুহ গাৰোৱান/কচোৱান

(গ) ঋষি-মুনি বাস কৰা ঠাই বিদ্যালয়/আশ্রম

(ঘ) সভাত উপস্থিত থকা লোক সভাসদ/সমাজকর্মী

(ঙ) সভাত বক্তৃতা দিয়া লোক গায়ক/বক্তা

**খ – ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ)**

**প্রঃ ১। যুক্তাক্ষৰ ভাঙি পঢ়ো আৰু লিখোঁ আহা :**

উদ্দেশ্য = দ্দ – দ + দ   দই দই = দ্দ

বাঞ্ছা = ঞ্ছ – ঞ + ছ   ঞই ছই = ঞ্ছ

**২। যুক্তাক্ষৰ গঠন কৰো আহা :**

দ + দ   দই   দই   দ্দ

ঞ + ছ ঞই ছয় ঞ্ছ


**প্রঃ ৩। যুক্তাক্ষৰৰ সহায়ত শব্দ লিখা :**

উত্তৰ :- দ্দ — উদ্দাম খ খদ্দৰ ৰ

উত্তৰ :- ঞ্ছ – বাঞ্ছিত লা লাঞ্ছনা না


**প্রঃ ৪। দলত আলোচনা কৰি বাক্য লিখা :**

উত্তৰ :- উদাহৰণ




**প্রঃ ৫। বেটৰ ভিতৰত থকা যুক্তাক্ষৰবোৰ উপযুক্ত ঠাইত লিখা।**

উত্তৰ :-



**প্ৰঃ ৬। ফুলৰ পৰা শব্দ আনি বাক্য কেইটা সম্পূৰ্ণ কৰা :**




**——————কল খায়।**

**——————মানে দাঁত।**

**ৰোগী চিকিৎসা কৰা ঠাইক ————বোলে।**

উত্তৰ :- বান্দৰে কল খায়।

দন্ত মানে দাঁত।

ৰোগী চিকিৎসা কৰা ঠাইক হাস্পতাল বোলে।

ৰোগী চিকিৎসা কৰা ঠাইক হাস্পতাল বোলে।

**প্ৰঃ ৭। একবচন আৰু বহুবচন জানি ল'বৰ বাবে তলৰ 'ক' অংশ আৰু 'খ' অংশৰ শব্দবোৰ চাই একবচন আৰু বহুবচন কাক বোলে লিখা।**

| ক–অংশ | খ–অংশ |
|---|---|
| মই | আমি |
| তুমি | তোমালোক |
| তেওঁ | তেওঁলোক |
| সি | সিহঁত |
| তাই | তাহাঁত/সিহঁত |

ওপৰৰ ‘ক’ অংশৰ শব্দবোৰে এজনক বুজাইছে। আনহাতে ‘খ’ অংশত থকা শব্দবোৰে বহুকে বুজাইছে।

ইয়াৰ পৰা আমি বুজিব পাৰোঁ যে এজন বা এটাক বুজোৱা শব্দকে একবচন বোলে। আনহাতে দুজন বা তাতকৈ অধিকক বুজোৱা শব্দাৰ বহুবচন বোলে।

**প্ৰঃ ৮। বহুবচন বুজোৱা শব্দ ব্যৱহাৰ কৰি খালী ঠাই পূৰ কৰা।**

উদাহৰণ :- মই সভালৈ যাম।

আমি সভালৈ যাম।

**(ক) তুমি ঘোঁৰা-গাড়ী এখন যোগাৰ কৰিবা।**

উত্তৰ :- তোমালোকে ঘোঁৰা গাড়ী এখন যোগাৰ কৰিবা।


**(খ) সি সময়মতে নাহিল।**

উত্তৰ :- সিহঁত সময়মতে নাহিল।

**(গ) তেওঁ সদায় সময়মতে কম-কাজ কৰে।**

উত্তৰ :- তেওঁলোকে সদায় সময়মতে কাম-কাজ কৰে।

**প্ৰঃ ৯। বেজীৰ ভিতৰত থকা বিপৰীত অৰ্থ বুজোৱা শব্দেৰে খালী ঠাই পূৰ কৰা :**




উত্তৰ :- সুখী – অসুখী।

সন্মান – অসন্মান।

অসুবিধা – সুবিধা

ৰোগী – নিৰোগী।

## গ – জ্ঞান সম্প্ৰসাৰণ

**প্ৰঃ ১। তুমি বিদ্যালয়লৈ যাওঁতে তোমাৰ লগৰীয়া এজনে উজুটি খাই দুখ পালে তুমি কি কৰিবা ?**

উত্তৰ :- উজুটি খাই দুখ পালে লগৰীয়াজনক মই সহায় কৰিম। তেওঁ উজুটি খোৱা ঠাইৰ পৰা যদি তেওঁ বাহিৰ হোৱা নাই, তেনেহলে সেই ঠাইখন হাতেৰে মোহাৰি দিম। তেজ ওলালে তাত প্ৰথমে যন্ত্ৰণাৰ উপশম ঘটাবলৈ চেঁচা পানী ঢালিবলৈ চেষ্টা কৰিম। তাৰ পিছত তেজ বন্ধ কৰিবলৈ ওচৰৰ মানুহৰ সহায় লম।

**প্ৰঃ ২। সময়ৰ কাম সময়ত নকৰিলে কি হয় লিখা।**

**(ক) সময়ত আহাৰ নাখালে।**

উত্তৰ :- সময়ত আহাৰ নাখালে স্বাস্থ্যৰ ক্ষতি হয়।

**(খ) সময়ত ঔষধ নাখালে।**

উত্তৰ :- সময়ত ঔষধ নাখালে ৰোগ নিৰাময় নহয়।

**(গ) সময়ত নিজৰ কাম নকৰিলে।**

উত্তৰ :- কামত পিছপৰি ৰ’ব লগা হয়।

**(ঘ) সময়ত ৰেল ষ্টেচনত উপস্থিত নহ’লে।**

উত্তৰ :- ৰেল যাত্ৰা বাতিল হৈ পৰে।

**প্ৰঃ ৩। বিদ্যালয়ত তুমি কি কি নিয়ম মানি চলা।**

উত্তৰ :- মই সময়মতে বিদ্যালয়লৈ যাওঁ। নিয়মীয়া ভাবে প্ৰাৰ্থনা সভাত যোগদান কৰোঁ। হাই-উৰুমি কৰাৰ পৰা বিৰত থাকো। শ্ৰেণীত শিক্ষকৰ কথা মানি চলোঁ আৰু শিক্ষকে

পঢ়ৱালে বা কিবা বুজালে মনোযোগেৰে শুনো। বিদ্যালয় ছুটি হলেও শান্তিপূৰ্ণভাৱে হাই-উকমি নকৰাকৈ ঘৰলৈ উভতি আহোঁ।

**প্ৰঃ ৪। নিজৰ মতে খালী ঠাই পূৰ কৰা :**

উত্তৰ :- মই ৯-৩০ বজাত ঘৰৰ পৰা বিদ্যালয়লৈ যাবৰ বাবে সাজু হওঁ। বিদ্যালয়ত ৯.৫০ বজাত প্ৰাতঃসভা আৰু ১০ বজাৰ লগে লগে শ্ৰেণী আৰম্ভ হয়। ১ বজাত মধ্যাহ্ন ভোজন কৰাৰ পিছত পুনৰ ২ বজাত শ্ৰেণীত সোমাওঁ। ৩-৩০ বজাত আমাৰ বিদ্যালয় ছুটী হয়।

**প্ৰঃ ৫। ‘যেতিয়াৰ যিটো বন’ পদ্যটোৰ মূল কথাখিনি লিখা।**

উত্তৰ :- প্ৰত্যেক কামৰ বাবে একোটা নিৰ্দিষ্ট সময় থাকে। সেয়ে প্ৰতিটো কাম মানুহে কামটোৰ বাবে নিৰ্দিষ্ট বা নিৰ্ধাৰিত সময়ত কৰিব লাগে। কিন্তু কৰিব লগা কামটো পিছলৈ কৰিব বুলি পেলাই থ’লে সেই কামটো পাছলৈ হৈ নুঠিবও পাৰে। কাৰণ মানুহৰ জীৱনত বিপদ-আপদৰ সীমা-সংখ্যা নাই। তদুপৰি পল, দণ্ড কৰি আমাৰ জীৱনৰ দিন টুটি আছে। সেয়ে কৰিবলগা কামটো সময়মতে কৰি গলেহে কামো সহজ হৈ পৰে আৰু নতুন কামত হাত দিবলৈ সময়ো ওলায়। সেয়ে সময়ৰ কাম সময়ত কৰি কৰ্মত অগ্ৰগতি লাভ কৰিবলৈ সতত চেষ্টা কৰিব লাগে।

**প্ৰঃ ৬। আমি পালন কৰা আচৰণ সমূহ কি কি লিখা।**

উত্তৰ :- আমি পালন কৰা আচৰণ সমূহ হ’ল— আলহী আদৰা, উপহাৰ গ্ৰহণ করা, ক্ষমা বিচবা, শুভেচ্ছা জনোৱা, সেৱা কৰা ইত্যাদি।

## ঘ – প্ৰকল্প

**প্ৰঃ ১। তিনিজন মহৎ লোকৰ ছবি সংগ্ৰহ কৰি তেওঁলোকৰ বিষয়ে দুশাৰীকৈ বাক্য লিখা।**

উত্তৰ :- তিনিগৰাকী মহ লোক হ’ল— মহাত্মা গান্ধী, জবাহৰলাল নেহৰুক আৰু ডং সৰ্বপল্লী ৰাধাকৃষ্ণণ।

**মহাত্মা গান্ধী :-** মহাত্মা গান্ধীক ভাৰতৰ জাতিৰ জনক বোলা হয়। তেৱেঁই অহিংস আন্দোলনৰ যোগেদি ব্ৰিটিছৰ বিৰুদ্ধে যুক্তি ভাৰতক স্বাধীন কৰিছিল। অহিংসা নীতিৰ বাবেই তেওঁ গোটেই পৃথিবীতে জনাজাত।

জৱাহৰলাল নেহক জবাহবলাল নেহৰ স্বাধীন ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী আছিল। তেৰেই স্বাধীন ভাবতব শিল্প-উদ্যোগ, বিজ্ঞান, ব্যবসায় বাণিজ্য আৰু বৈদেশিক নীতিৰ প্ৰকৃত ৰূপকাৰ আছিল।

**ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ :-** ড° সৰ্বপল্লী বাধাকৃষ্ণণ এগবাকী প্ৰখ্যাত দাৰ্শনিক আৰু শিক্ষাবিদ আছিল। তেওঁ ভাৰতৰ বাষ্ট্ৰপতিৰ পদ অলংকৃত কৰিছিল। তেওঁৰ জন্মদিন ৫ ছেপ্টেম্বৰ তাৰিখটো ভাৰতত শিক্ষক দিবস হিচাপে পালন কৰা হয়।(ছবি নিজে সংগ্ৰহ কৰা)।

**প্ৰঃ ২। পাঁচটাকৈ মহৎ লোকৰ বাণী সংগ্ৰহ কৰি তোমাৰ বহীত**

উত্তৰ :- নিজে কৰা।

**প্ৰঃ ৩। তুমি পুৱা শুই উঠাৰ পৰা ৰাতিলৈ কি কি কৰা তাৰে এখন দিনলেখা লিখা।**

উত্তৰ :- নিজে কৰা।